<u>কুৱেইটত বৰ্ণালী কলিতাৰ বৰ্ণিল সন্ধিয়া</u>

তৈল সাম্ৰাজ্যৰ অন্যতম চহকী ৰাষ্ট্ৰ কুৱেইটৰ উমৈহতীয়া মঞ্চ "অসম এচোছিয়েছন কুৱেইট"ৰ উদ্যোগত দুদিনীয়া কাৰ্য্যসূঁচীৰে উলহ-মালহেৰে ৰঙালী বিহু উদযাপন কৰা হয় । ১৮ এপ্ৰিল আৰু ২৯ মে'ত আয়োজন কৰা এই বিহু উৎসৱত প্ৰবাসী অসমীয়া সকলৰ লগতে অসমক ভালপোৱা ভাৰতৰ আন ঠাইৰ লোকেও অংশ গ্ৰহণ কৰে । ২৯ মে'ত কুৱেইট চহৰৰ Indian Embassyৰ প্ৰেক্ষাগৃহত অনুষ্ঠিতত "বৰ্ণালী সাংস্কৃতিক সন্ধিয়া"ত অসমৰ নৱ প্ৰজন্মৰ হিয়াৰ মুকুতা জনপ্ৰিয় গায়িকা বৰ্ণালী কলিতাই পৰিৱেশন কৰা মনোমোহা সংগীতানুষ্ঠানে কাৰ্য্যতঃ সকলো দৰ্শক শ্ৰোতাকে মন্ত্ৰমুগ্ধ কৰি তোলে । অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় এগছি বন্তি প্ৰজ্জ্বলনেৰে । বন্তি প্ৰজ্জ্বলন কৰে ভাৰতীয় ৰাষ্ট্ৰদূত মাননীয় সুনীল জৈন, অসম এচোছিয়েছনৰ সভাপতি অনুপ বৰা, সাধাৰণ সম্পাদক অভিজিৎ শৰ্মা, উপ সভাপতি অৰবিন্দ দত্ত আৰু সাংস্কৃতিক সম্পাদিকা মিতালী গোস্বামীয়ে । বন্তি প্ৰজ্জ্বলনৰ সমান্তৰালকৈ মঞ্চত পৰিবেশিত হয় "শ্ৰীময়ী অসমীৰ শীতল বুকুত" শীৰ্ষক গীতটি । তাৰ পিছতেই সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী সমবেত সংগীত "আজি জীৱন বুটলিবি" শীৰ্ষক গীতটি পৰিৱেশন কৰে এচোছিয়েছনৰ সদস্যসকলে । এই অনুষ্ঠানতে মাননীয় ৰাষ্ট্ৰদূতজনৰ লগতে তেখেতৰ সতীৰ্থবৰ্গ শিব সাগৰ, শুভাশীষ গন্দাৰ আৰু বিশিষ্টা গায়িকা বৰ্ণালী কলিতাক সম্বৰ্ধনা জনোৱা হয় । ৰাষ্ট্ৰদূতজনে এচোছিয়েছনৰ বাৰ্ষিক মুখপত্ৰ "জেতুকা" উন্মোচন কৰাৰ লগতে অসমৰ থলুৱা সম্পদেৰে পৰিবেষ্টিত প্ৰদৰ্শনীৰ দ্বাৰো উন্মোচন কৰে । তেখেতৰ ভাষণত ৰাষ্ট্ৰদূতজনে অসম তথা ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক শোভাৰ বিষয়ে বৰ্ণনা কৰাৰ লগতে প্ৰবাসী অসমীয়াসকলৰ দ্বাৰা সুপৰিচালিত এই অনুষ্ঠানটিৰ ভূয়সী প্ৰশংসা কৰে । ৰাষ্ট্ৰদূতজনৰ উপস্থিতিতে প্ৰবাসী অসমীয়া পুৰুষ-মহিলাসকলে পৰিৱেশন কৰে বিহু হুচৰি, কণমানিহঁতে তিৰা বিহু, কিশোৰ-কিশোৰীহঁতে যথাক্ৰমে বিহু নৃত্য, বাগৰুম্বা নৃত্য, অসমীয়া আধুনিক নৃত্য আৰু "অ' মোৰ আপোনাৰ দেশ" শীৰ্ষক আমাৰ জাতীয় সংগীতটি । অনুষ্ঠানৰ শেষত শিশুসকলৰ চিত্ৰাংকণ প্ৰতিযোগিতা, এচোছিয়েছনৰ সদস্যসকলৰ মাজত অনুষ্ঠিত হোৱা সৃজনীমূলক ৰচনা প্ৰতিযোগিতা আৰু "সন্ধান" (অসম শীৰ্ষক কুইজ) প্ৰতিযোগিতাৰ লগতে "ৰাফল ড্ৰ"ৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয় । পুৰস্কাৰসমূহ বিতৰণ কৰে যথাক্ৰমে শ্ৰীমতী দুলাৰী বৰুৱা, শ্ৰীমতী ভাৰতী শৰ্মা, শ্ৰীমতী নিভা বৰগোহাই আৰু সভাপতি শ্ৰী অনুপ বৰাই । শলাগৰ শৰাই আগবঢ়ায় সাধাৰণ সম্পাদক অভিজিৎ শৰ্মাই । সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে বিজন গোস্বামী আৰু আলোক কুমাৰ দাসে ।

উল্লেখ্য যে ১৮ এপ্ৰিলত আল-ফিণ্টাছ পাৰ্কত অনুষ্ঠিত ৰঙালী বিহুৰ খেল-ধেমালি অনুষ্ঠানত পৰম্পৰাগত অসমীয়া জলপান চিৰা, বৰা চাউল, হুৰুম, আখৈ, কোমল চাউল, দৈ, ক্ৰীম, গুৰৰ

লগতে কুৱেইটৰ অসমীয়া মহিলাসকলে প্ৰস্তুত কৰা তিল পিঠা, সুতুলী পিঠা, ঘিলা পিঠা, তেল পিঠা, টেকেলী মুখত দিয়া পিঠা, নাৰিকলৰ লাড়ু, তিলৰ লাড়ু আদিৰে অভ্যাগতসকলক আপ্যায়িত কৰা হয় । বিহু জলপানৰ পিছত শিশু-মহিলা-পুৰুষ নিৰ্বিশেষে সকলোৱে টেকেলী ভঙা, কণী যুঁজ, ৰচী টনা আদি খেলত অংশ গ্ৰহণ কৰি আনন্দত আত্মহাৰা হয় । তাৰ পিছতেই সকলোৱে জুতি লয় মহিলাসকলৰ দ্বাৰা ঘৰুৱা ভাবে তৈয়াৰী বিহুৰ খাদ্যসম্ভাৰ  খাৰ, পছলা, হাঁহৰ মাংস, মুৰ্গীৰ মাংস, মাছৰ টেঙা ইত্যাদিৰ ।

এনেদৰেই অসমী আইৰ পৰা কেবাশ যোজন আতৰত থাকিও "অসম এচোছিয়েছন কুৱেইট"ৰ সমূহ সদস্যই অসমৰ বিহু পৰম্পৰাক অক্ষুন্ন ৰখাৰ তথা তেওঁলোকৰ উত্তৰ পুৰুষক অসমীয়া সংস্কৃতিৰ স'তে একাত্মবোধ অনুভৱ কৰোৱাৰ এক বিনম্ৰ প্ৰয়াস কৰি আহিছে ।

------------ **দেবাহুতি কাকতি দাস আৰু আলোক কুমাৰ দাস**